Neelgagan

Date:

Page No.

এদিনৰ সংবাদ ২৭/৮

# বৰছলাৰ নতুন পাণবাৰীত পথৰ দাঁতিত উদ্ধাৰ এন আৰ চিৰ নথি আৰু প্ৰ-পত্ৰ

## দোষীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী

এদিনৰ সংবাদ

**ঢেকীয়াজুলি, ২৬ আগষ্ট ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ জমা দিবলৈ মাজত মাত্ৰ ছদিন বাকী থকা সময়তে বৰছলা সমষ্টিৰ নতুন পাণবাৰীত ঘটিল এটা অভাৱনীয় ঘটনা। প্ৰাপ্ত তথ্য মতে, বি টি এ ডিৰ নতুন পাণবাৰী ভি চি ডি চিৰ অন্তৰ্গত বড়িগাঁও দীঘলীপাৰ গাঁৱৰ এটা পথৰ দাঁতিত ২৪ আগষ্টৰ পুৱা প্ৰায় ৭ বজাত স্থানীয় একাংশ মাছমৰীয়াই পথৰ দাঁতিত বোকা-পানী লাগি য'তে-ত'তে সিঁচৰতি হৈ পৰি থকা অৱস্থাত এন আৰ চিৰ পূৰণ কৰা কিছু প্ৰ-পত্ৰ আৰু নথি-পত্ৰ প্ৰথমতে প্ৰত্যক্ষ কৰে। লগে লগে কথাটো সমগ্ৰ অঞ্চলটোতে ৰাষ্ট্ৰ হৈ পৰে আৰু স্থানীয় ৰাইজে আহি পথৰ ওপৰত এই গুৰুত্বপূৰ্ণ নথি আৰু প্ৰ-পত্ৰসমূহ দেখি একপ্ৰকাৰ হতভম্ব হৈ উত্তেজনাৰ সৃষ্টি কৰে। স্থানীয় এবছুৰ কৰ্মীসকলো প্ৰ-পত্ৰসমূহ উদ্ধাৰ হোৱা স্থানলৈ গৈ এই নিন্দনীয় কাৰ্য প্ৰত্যক্ষ কৰে। একেবাৰে বিনষ্ট হোৱা এই প্ৰ-পত্ৰ আৰু নথিসমূহ পিছত নতুন পাণবাৰী ভি চি ডি চিৰ কাৰ্যালয়ৰ চকীদাৰগৰাকী আহি তাত থকা এন আৰ চি সেৱা কেন্দ্ৰলৈ লৈ যায়। উল্লেখ্য যে বৰছলাৰ নতুন পাণবাৰী অঞ্চলৰ কাছমাৰী, নলবাৰী, কমাৰ চুবুৰি আদি স্থানৰ একাংশ দুখীয়া গঞা লোকে বহু হাৰাশাস্তিৰ মাজেদি এন আৰ চিৰ নথিসমূহ সংগ্ৰহ কৰি প্ৰায় এমাহ আগতে প্ৰ-পত্ৰ পূৰণৰ পিছত নতুন পাণবাৰী ভি চি ডি চিৰ কাৰ্যালয়স্থিত এন আৰ চিৰ সেৱা কেন্দ্ৰত জমা দিছিল, কিন্তু প্ৰাপ্তি স্বীকাৰ ৰচিদপ্ৰাপ্ত এই সকলো লোকক দীঘদিন ধৰি নানা অজুহাত দেখুৱাই সেৱা কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকলে প্ৰদান কৰা নাছিল তেওঁলোকে জমা দিয়া প্ৰ-পত্ৰ আৰু নথিৰ ফটোষ্টেট ক'পী। এনে সময়তে অনেক দুৰ্ভোগ ভুগি যেনে-তেনে সেৱা কেন্দ্ৰত গঞা ৰাইজে জমা কৰা এই প্ৰ-পত্ৰ আৰু নথিসমূহ পথৰ ওপৰত উদ্ধাৰ হোৱা ঘটনাত স্থানীয় একাংশ লোক তথা সংগঠনে ৰহস্যৰ গোন্ধ পাইছে। জনা মতে, এন আৰ চি সেৱা কেন্দ্ৰটোৰ এল আৰ চি আৰ কুলেন ডেকা তথা কম্পিউটাৰত ডাটা এণ্ট্ৰী অপাৰেটৰদ্বয় হ'ল খাইৰুল ইছলাম আৰু খুৰছিদ আলম। সেৱা কেন্দ্ৰটোৰ দায়িত্বৱাহী এই বিষয়া-কৰ্মচাৰীসকলৰ চূড়ান্ত দায়িত্বহীনতাৰ পৰিণতিতে এনে কাণ্ড সংঘটিত হ'বলৈ পালে বুলি স্থানীয় লোকে মন্তব্য কৰিছে। পিছত উদ্ধাৰ হোৱা প্ৰ-পত্ৰ আৰু নথিসমূহ মাজবাট ৰাজহ চক্ৰ বিষয়াৰ হাতত জমা দিয়ে। সেৱা কেন্দ্ৰটোত দণ্ডাধীশ উপস্থিত হৈ ঘটনাৰ বুজ লয়। বৰছলা এবছুৰ সভাপতি নন্দেশ্বৰ দৈমাৰী আৰু সাধাৰণ সম্পাদক প্ৰফুল্ল বসুমতাৰীয়ে ঘটনাটোত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইয়াক ধিক্কাৰ দিছে আৰু ঘটনাটোৰ তদন্ত কৰি দুষ্কৃতিকাৰীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

গণ বাৰ্তা ২৭/৮

# এন আৰ চি ঃ আছু নেতা দুলদুল বৰকটকীৰ আদৰণীয় প্ৰচেষ্টা

**গণ বাৰ্তা, বালিচাং, ২৬ আগষ্ট ঃ** অৰ্থনৈতিক মন্দাৱস্থা আৰু ৰাজনৈতিক অস্থিৰতাক সুস্থিৰ অৱস্থালৈ আনিব পৰা সুস্থ অনুকূল বাতাবৰণ গঠনৰ প্ৰতি লক্ষ্য ৰাখি শীতল বিপ্লৱৰ প্ৰয়োজনীয়াৰ উপলব্ধি কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক দুলদুল বৰকটকীয়ে এন আৰ চিৰ পিছতে অসমৰ উন্নতি, প্ৰগতি আৰু বিকাশত প্ৰয়োজনীয় সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাৰ কথা সদৰী কৰে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ প্ৰক্ৰিয়াত মানৱ সম্পদ ৰূপত গঢ় দিবৰ বাবে শুদ্ধ নাগৰিকপঞ্জীয়েই সৰ্বতোভাৱে সহায়কৰূপে বিবেচনা কৰে আছুৰ নেতাগৰাকীয়ে। অসম-অৰুণাচল সীমান্তৱৰ্তী ৰাইজৰ মাজত এন আৰ চিৰ জাগৰণৰ উদ্দেশ্যে কৰা অভিযানত অধিকাংশই জ্ঞাত নথকা বিষয়টো প্ৰকট হৈ পৰে। উল্লেখ্য যে আছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদকে দুলদুল বৰকটকীয়ে বড়ো আদিবাসীৰ আন্তঃগাঁথনিৰ প্ৰতি মনোযোগ দি স্পৰ্শকাতৰ অঞ্চলত প্ৰতি ঘৰে ঘৰে এন আৰ চিৰ প্ৰয়োজনীয়তাৰ বিষয়ে ৰাইজক অৱগত কৰে। স্বতঃস্ফূৰ্তভাৱে জনপ্ৰিয় নেতাগৰাকীক ৰাইজে আগুৰি ধৰি আতিগুৰি জনাৰ পিছত আজি পাভৈ গাঁও পঞ্চায়তত শতাধিক লোকে এন আৰ প্ৰ-পত্ৰ পূৰণ কৰে। বৃহত্তৰ পাভৈৰ অন্তৰ্গত শামুকজুলি, জিতপুৰ, বালিভাঙা, সোণাজুলি, ফুলবাৰী, পামবস্তিৰ উপৰি ছেলাইখাতিৰ উত্তৰ অঞ্চলসমূহ সজাগতাৰ আজিৰ বিশেষ অভিযানে যথেষ্ট উপকৃত হোৱা এই প্ৰতিবেদকৰ দৃষ্টিগোচৰ হয়। সজাগতামূলক বিশেষ অভিযানত সংগ দিয়ে শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক আজমত শেখ, অসম সেনাৰ বিৰাজ কুৰ্মীৰ উপৰি নিখিল বড়ো ছাত্ৰ সন্থাৰ কাতিৰাম বসুমতাৰী, মহিৰাম বসুমতাৰী, ৰূপেন দৈমাৰী আৰু সমাজকৰ্মী চাৰ সিং টকবীয়ে। পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ বালিচাং আৰু ধূলি শাখা সমিতিৰ সদস্যয়ো এন আৰ চিৰ কাৰ্যত সক্ৰিয়ভাৱে জড়িত থাকি ৰাইজক সেৱা আগবঢ়ায়। এই পদক্ষেপক ৰাইজে ভূয়সী প্ৰশংসা কৰে।